জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৯/২০২১

**শ্বহীদ দিৱস উপলক্ষে অসম চুক্তি ৰূপায়ণ বিভাগৰ দ্বাৰা আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই**

‘অসম আন্দোলনৰ তথ্যকোষ’ৰ দ্বিতীয় আৰু তৃতীয় খণ্ড উন্মোচনৰ লগতে অসম আন্দোলনত ক্ষতিগ্ৰস্ত লোকৰ বাবে ৫ কোটি টকা কৰ্পাছ পুজিৰে গঠন কৰা এক সাহায্য নিধিৰো শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

# সমুখত হিমালয়সদৃশ প্ৰত্যাহ্বান আহিলেও সভ্যতাৰ বন্তিগছি চিৰদিন জ্বলাই ৰাখিবলৈ আমি বদ্ধপৰিকৰ ঃ মুখ্যমন্ত্ৰী

## গৰুখুটিৰ উচ্ছেদ আৰু কৃষি বিপ্লৱ অসমীয়াৰ অধিকাৰ পুনৰুদ্ধাৰৰ এক নতুন সংগ্ৰামৰ পাতনি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** ছবছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ শ্বহীদবৰণৰ দিন ১০ ডিচেম্বৰত আয়োজিত শ্বহীদ দিৱস উপলক্ষে আজি পশ্চিম বৰাগাঁৱৰ শ্বহীদ স্মাৰক উদ্যানত ৰাজ্য চৰকাৰৰ অসম চুক্তি ৰূপায়ণ বিভাগে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জাতীয় শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে অসম আন্দোলনৰ প্ৰতিগৰাকী অমৰ শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অসম চুক্তি ৰূপায়ণ বিভাগৰ উদ্যোগত সংকলিত তথা বিশিষ্ট সাংবাদিক দিগন্ত ওজাই সম্পাদনা কৰা ‘অসম আন্দোলনৰ তথ্যকোষ’ৰ দ্বিতীয় আৰু তৃতীয় খণ্ড দুটাও উন্মোচন কৰে। অনুষ্ঠানত তেওঁ অসম আন্দোলনত ক্ষতিগ্ৰস্ত লোকৰ বাবে ৫ কোটি টকা কৰ্পাছ পুজিৰে গঠন কৰা এক সাহায্য নিধিও আনুষ্ঠানিকভাৱে মুকলি কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সুধাকণ্ঠ ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ “লুইতৰ পাৰৰে তুমি ডেকা ল’ৰা/ তুমিয়েতো বুকু পাতি দিলা/ ভাৰতীৰ নুমলী জীক বচাবলে’/ তুমিয়েতো মৃত্যু বৰিলা/ শ্বহীদ প্ৰণামো তোমাক...” শীৰ্ষক গীতৰ কলি আওৰাই অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগ আৰু বীৰত্বৰ স্মৃতি ৰোমন্থন কৰে। তেওঁ কয় যে অবৈধ অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা অসমভূমিক ৰক্ষা কৰাৰ বাবে হোৱা স্বতঃস্ফূৰ্ত জনজাগৰণত ১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ এই বিশেষ দিনটোতেই ভৱানীপুৰৰ তেজাল যুৱক খৰ্গেশ্বৰ তালুকদাৰে জাতি ৰক্ষাৰ বাবে আত্মবলিদান দিছিল। জাতিৰ স্বাভিমান অটুট ৰাখিবলৈ আত্মোৎসৰ্গা কৰিছিল চাৰে আঠশগৰাকীৰো অধিক অসমীয়া ডেকা-গাভৰুৱে। এই বীৰ শ্বহীদসকলৰ মহান ত্যাগ আৰু বীৰত্বই অসমীয়া জাতিক জীয়াই ৰখাৰ বাবে এক নতুন অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগ্ৰামত অৱতীৰ্ণ হ’বলৈ আমাক প্ৰেৰণা যোগাই যাব বুলি তেওঁ আশা ব্যক্ত কৰে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নিজৰ জাতি-ভেটিক বচাবলৈ অসমীয়াৰ বাহিৰে আন কোনো জাতিয়ে ইমান সংগ্ৰাম কৰিবলগা হোৱা নাই বুলি আক্ষেপ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শত শত শ্বহীদৰ তেজৰ বিনিময়তো অসমীয়া জাতি আজিও সুৰক্ষিত নহ'ল। অসম আন্দোলনৰ সূচনা হোৱা ১৯৭৯ চনতকৈ আজি আমি বেছি অসুৰক্ষিত বুলি মন্তব্য কৰি তেওঁ কয় যে আজি অসমৰ ৪০ শতাংশ ভূমিয়েই আগ্ৰাসনৰ কবলত পৰিছে। অসমীয়াৰ হাতৰ পৰা অৰ্থনৈতিক ক্ষমতা আঁতৰি গৈছে, ৰাজনৈতিকভাৱেও গভীৰ প্ৰত্যাহ্বান আহিছে। এনে জটিল সন্ধিক্ষণত অসমীয়া জাতিয়ে আজি নিজৰ অভ্যন্তৰলৈ দৃষ্টি নিক্ষেপ কৰাৰ সময় আহি পৰিছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ চৰকাৰে নিজৰ ছমহীয়া কাৰ্যকালৰ প্ৰতিটো দিন জাতিটোক পুনৰ নিৰ্মাণৰ কামত ব্ৰতী হৈছে। আমাৰ মাটি-ভেটি-ভাষা-কৃষ্টি-সংস্কৃতি ৰক্ষা কৰিবলৈ আমি একগোট হোৱাৰ বিনে গত্যন্তৰ নাই বুলি মন্তব্য কৰি তেওঁ কয় যে বিভিন্ন ৰাজনৈতিক, সামাজিক কাৰণত বিগত সময়ত সোলোক-ঢোলোক হৈ পৰা আমাৰ মাজৰ সমন্বয়ৰ সাকোঁডাল নতুন গঢ়াৰ বাবে চৰকাৰখনে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। গৰুখুটিৰ উচ্ছেদ আৰু কৃষি বিপ্লৱ অসমীয়াৰ অধিকাৰ পুনৰুদ্ধাৰৰ এক নতুন সংগ্ৰামৰ পাতনি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সন্মুখত হিমালয়সদৃশ প্ৰত্যাহ্বান আহিলেও সভ্যতাৰ বন্তিগছি চিৰদিন জ্বলাই ৰাখিবলৈ আমি বদ্ধপৰিকৰ আৰু সেই লক্ষ্যৰেই চৰকাৰখনে সদায়েই কাম কৰি যাব।

মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৭৯ চনৰ পৰিৱেশ-পৰিস্থিতিতকৈ এতিয়াৰ প্ৰেক্ষাপট যথেষ্ট সলনি হৈছে। সেয়ে অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ ত্যাগ আৰু দেশপ্ৰেমৰ অনুপ্ৰেৰণাৰে আমি '২১-ৰ যুঁজখন নতুন ধৰণে যুঁজিব লাগিব। আগ্ৰাসনকাৰীৰ হাতৰ পৰা অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা পুনৰুদ্ধাৰ কৰিব লাগিব। জাতি ৰক্ষাৰ এই নতুন সংগ্ৰামত আমি সকলো একেলগে জপিয়াই পৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ অৰণ্যত থকা যুৱকসকলকো ঘৰলৈ ঘূৰি আহি এই একত্ৰিত সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়।

অসম আন্দোলনত ক্ষতিগ্ৰস্ত লোকৰ বাবে ৫ কোটি টকা কৰ্পাছ পুজিৰে গঠন কৰা সাহায্য নিধিৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী-বেচৰকাৰী সহায়-সহযোগিতাৰে এই নিধিক ৫০ কোটি টকালৈ লৈ যোৱাৰ প্ৰয়াস কৰা হ'ব। পশ্চিম বৰাগাঁৱৰ শ্বহীদ স্মাৰক উদ্যানক অত্যাধুনিক ৰূপত গঢ়ি তোলাৰ লগতে শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মস্থান ভবানীপুৰতো এক শ্বহীদ স্মৃতি প্ৰকল্প নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয় যে ১০০ বিঘাৰো অধিক ভূমি সামৰি গঢ়ি উঠিবলগীয়া এই প্ৰকল্পই শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মভূমিক এক তীৰ্থস্থানত পৰিণত কৰিব।

অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, জলসিঞ্চন মন্ত্ৰী পিযুষ

হাজৰিকা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাইও অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসম আন্দোলনৰ শ্বহীদ পৰিয়ালৰ সদস্যসকলো উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১০-১২-২০২১**